# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 06-03-2025 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*

## *HEADLINES*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰকাশী জিলাৰ হাৰছিলত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি উত্তৰাখণ্ডৰ শীতকালীন পৰ্যটনৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰে।।

২। ছ্ফটৱেৰৰ বিকাশৰ ক্ষেত্ৰত ভাৰতে বহু আগেয়ে আন্তঃৰাষ্ট্ৰীয় নেতৃত্ব বহন কৰিছিল, কিন্তু বৰ্তমান হাৰ্ডৱেৰ নিৰ্মাণৰ ক্ষেত্ৰতো দেশ দ্ৰুত গতিত আগবাঢ়িছে বুলি কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে।

৩। ভাৰতে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডং জয়শংকৰৰ ব্ৰিটেইন ভ্ৰমণৰ সময়ত চৰমপন্থীয়ে নিৰাপত্তা ব্যৱস্থাৰ উলংঘন কৰা বিষয়টোৰ কঠোৰ ভাষাৰে সমালোচনা কৰিছে।

৪। ঢাকা বিশ্ববিদ্যালয়ৰ সমাপ্তি আৰু সকলো খণ্ডতে ক্ষমতা আৰু নিয়োগৰ ক্ষেত্ৰত ঢাকা কেন্দ্ৰিক আধিপত্য অন্ত পেলোৱাৰ দাবীৰে বাংলাদেশৰ শিক্ষাৰ্থীসকলে কালি ৰাজশ্বাহীৰ ৰে'ল লাইন অৱৰোধ কৰে।

আৰু

৫। আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ অহা দেওবাৰে ডুবাইত হ'বলগীয়া ফাইনেলত ভাৰত, নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণক শীতকালত উত্তৰাখণ্ড ভ্ৰমণ কৰিবলৈ আহ্বান জনাই কয়, যে দেশৰ বাকী অংশসমূহ যেতিয়া কুঁৱলীয়ে আবৰি থাকে, তেতিয়া সমগ্ৰ উত্তৰাখণ্ড ৰ'দৰ পোহৰত জলমলাই উঠে। উত্তৰকাশী জিলাৰ হাৰছিলত আজি এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীয়ে ৰাজ্যখনৰ বাবে শীতকালীন পৰ্যটনৰ গুৰুত্ব সন্দৰ্ভত আলোকপাত কৰে। তেওঁ কয়, যে উত্তৰাখণ্ডক বছৰৰ প্ৰতিটো দিনেই পৰ্যটনৰ বাবে উপযোগীকৈ গঢ়ি তোলা হ'ব। শ্ৰী মোদীয়ে কয়, যে এই দশকত উত্তৰাখণ্ডৰ উন্নয়নৰ বহু নতুন পদক্ষেপ গ্ৰহণ কৰা হ'ব। শীতকালত হোটেল আৰু হোমষ্টে সমূহ প্ৰায় খালী হৈ থকাৰ বাবে ৰাজ্যখনৰ অৰ্থনীতিত প্ৰভাৱ পৰাৰ কথা উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে এই সময়ছোৱাতে উত্তৰাখণ্ডৰ প্ৰকৃত সৌন্দৰ্য উপভোগ কৰিব পাৰি। তেওঁ ৰাজ্যখনৰ পৰ্যটন উদ্যোগৰ বিকাশৰ বাবে বছৰৰ ৩৬৫ দিনেই পৰ্যটনৰ প্ৰসাৰৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে। ইপিনে, অৰ্থনৈতিক উন্নয়ন সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে চাৰধাম পথ প্ৰকল্প, ৰে'লপথৰ সম্প্ৰসাৰণ, বিমানেৰে সংযোগ আৰু ৰোপ ৱে প্ৰকল্পৰ কথা উল্লেখ কৰে। তেওঁ লগতে উত্তৰাখণ্ডত ডেষ্টিনেচন ৱেডিঙৰ প্ৰচাৰৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰে। ইয়াৰ পূৰ্বে শ্ৰী মোদীয়ে মুখ্ৱা গাঁৱত মা গংগাৰ শীতকালীন প্ৰৱাস দৰ্শন কৰি পূজা-অৰ্চনা আগবঢ়ায়। ইয়াৰ পাছত তেওঁ হাৰছিল ভিউ পইণ্টৰ পৰা হিমালয়ৰ নান্দনিক সৌন্দৰ্য উপভোগ কৰি ইয়াৰ প্ৰশংসা কৰে। শ্ৰীমোদীয়ে হাৰছিলত দুঃসাহসী মটৰ চাইকেল ৰেলী আৰু

ট্ৰেকিঙৰো শুভাৰম্ভ কৰে। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণ উত্তৰাখণ্ডৰ শীতকালীন পৰ্যটনৰ প্ৰসাৰৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। উল্লেখযোগ্য যে উত্তৰাখণ্ড চৰকাৰে শীতকালীন পৰ্যটনৰ জৰিয়তে ৰাজ্যখনৰ পৰ্যটনৰ ক্ষেত্ৰসমূহৰ প্ৰচাৰ তথা স্থানীয় অৰ্থনীতি অধিক শক্তিশালী কৰি তোলাৰ প্ৰয়াস কৰিছে।

০০০০০০০০০

ছফ্‌টৱেৰৰ বিকাশৰ ক্ষেত্ৰত ভাৰতে বহু আগেয়ে আন্তঃৰাষ্ট্ৰীয় নেতৃত্ব বহন কৰিছিল, কিন্তু বৰ্তমান হাৰ্ডৱেৰ নিৰ্মাণৰ ক্ষেত্ৰতো দেশ দ্ৰুত গতিত আগবাঢ়িছে। ৫টা নিৰ্মীয়মান ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ জৰিয়তে বিশ্বৰ বৈদ্যুতিন খণ্ডত ভাৰতে নিজৰ স্থিতি সবল কৰি তুলিছে। কেন্দ্ৰীয় বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এখন ৰাষ্ট্ৰীয় দৈনিক কাকতৰ এটা লেখাত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে চলিত বৰ্ষতে দেশৰ প্ৰথমটো মেক ইন ইণ্ডিয়া চিপ নিৰ্মাণৰ জৰিয়তে ভাৰতে অতি সোনকালেই এটা গুৰুত্বপূৰ্ণ মাইলৰ খুঁটিত উপনীত হ'ব। ডিজিটেল আৰু বৈদ্যুতিন খণ্ডত দেশৰ সাফল্যত আলোকপাত কৰি শ্ৰী বৈষ্ণৱে কয়, যে প্ৰযুক্তি আৰু উদ্ভাৱন এতিয়া কেৱল গৱেষণাগাৰতে সীমাবদ্ধ হৈ থকা নাই, বৰঞ্চ ই নাগৰিকৰ জীৱন সলনি কৰি তুলিছে। তেওঁ উল্লেখ কৰে যে ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি, কৃত্ৰিম বুদ্ধিমত্তা, ছেমি কণ্ডাক্টৰ আৰু বৈদ্যুতিন নিৰ্মাণ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰাৰ জৰিয়তে দেশে ইয়াৰ ডিজিটেল ভৱিষ্যত নিৰ্মাণ কৰিছে। দেশৰ ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনিৰ প্ৰশংসা কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে এই ব্যৱস্থাই আন্তঃৰাষ্ট্ৰীয় মান নিৰূপণ কৰিছে। ভাৰতৰ ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনিৰ আৰ্হিৰে বিভিন্ন দেশে একেধৰণৰ ব্যৱস্থা গঢ়ি তুলিবলৈ আগ্ৰহ প্ৰকাশ কৰাৰ কথাও শ্ৰী বৈষ্ণৱে উল্লেখ কৰে।

০০০০০০০০০

ভাৰতে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ জয়শংকৰৰ ব্ৰিটেইন ভ্ৰমণৰ সময়ত চৰমপন্থীয়ে নিৰাপত্তা ব্যৱস্থাৰ উলংঘন কৰা বিষয়টোৰ কঠোৰ ভাষাৰে সমালোচনা কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত এই কাৰ্য চৰমপন্থীসকলৰ ক্ষুদ্ৰ গোটৰ কাৰ্য বুলি উল্লেখ কৰে। বিবৃতিটোত উল্লেখ কৰা মতে ভাৰতে এই কাৰ্যৰ নিন্দা কৰিছে আৰু এনেধৰণৰ গোটসমূহে গণতান্ত্ৰিক স্বতন্ত্ৰতাৰ অপ ব্যৱহাৰ কৰিছে। বিদেশ মন্ত্ৰালয়ে এনেক্ষেত্ৰত ব্ৰিটেইন চৰকাৰে নিজৰ কূটনৈতিক দায়িত্ব সম্পূৰ্ণৰূপে পালন কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০০০

ঢাকা বিশ্ববিদ্যালয়ৰ সমাপ্তি আৰু সকলো খণ্ডতে ক্ষমতা আৰু নিয়োগৰ ক্ষেত্ৰত ঢাকা কেন্দ্ৰিক আধিপত্য অন্ত পেলোৱাৰ দাবীৰে বাংলাদেশৰ শিক্ষাৰ্থীসকলে কালি ৰাজশ্বাহীৰ ৰে'ল লাইন অৱৰোধ কৰে। উপদেষ্টা পৰিষদৰ নিয়োগৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয় অনুদান আয়োগলৈকে সকলো ক্ষেত্ৰতে ঢাকা আৰু ঢাকা বিশ্ববিদ্যালয়ে আধিপত্য বজাই আহিছে বুলি প্ৰতিবাদকাৰীসকলে দাবী কৰে। ঢাকা ট্ৰিবিউন বাতৰি কাকতত প্ৰকাশিত বাতৰি অনুসৰি প্ৰতিবাদকাৰীসকলে সমগ্ৰ দেশতে সম নিয়োগৰ সুযোগৰ দাবী জনায়। ৰাজশ্বাহী বিশ্ববিদ্যালয়ৰ বৈষম্যবিৰোধী ছাত্ৰ আন্দোলনৰ এগৰাকী নেতা ছালাউদ্দিন আম্মাৰে কয়, যে শিক্ষাৰ্থীসকলে এনেধৰণৰ আধিপত্য মানি নলয় আৰু তেওঁলোকে বাংলাদেশ লোকসেৱা আয়োগৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয় অনুদান আয়োগলৈকে সকলোতে এটা সম্পূৰ্ণ নতুন ব্যৱস্থা ৰূপায়ণ কৰাৰ বাবে দাবী জনাইছে। ইপিনে, ঢাকাৰ ব্যক্তিগত বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থীসকলে নৱগঠিত ছাত্ৰ সংগঠন ৰাষ্ট্ৰীয় নাগৰিক দলৰ

ছাত্ৰ নেতা ছাৰ্জিছ আলম আৰু তেওঁৰ সহযোগীসকলৰ সৈতে যোৱানিশা সংঘৰ্ষত লিপ্ত হয়। তেওঁলোকে নৱগঠিত ছাত্ৰ সংগঠনটোৰ সমিতিত ব্যক্তিগত বিশ্ববিদ্যালয়সমূহৰ প্ৰতিনিধি অন্তৰ্ভুক্ত কৰাৰ বাবে দাবী জনায়।

০০০০০০০০০

ৰাজস্থানৰ চিৰ'হী জিলাৰ আবু ৰোড চাদাৰ আৰক্ষী থানাৰ অন্তৰ্গত কিৱাৰলি অঞ্চলৰ সমীপৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত একেটা পৰিয়ালৰে ছজন সদস্যৰ মৃত্যু হয়। দুৰ্ঘটনাত গুৰুতৰভাৱে আহত এগৰাকী মহিলাক চিৰ'হী হাস্পতালত ভৰ্তি কৰোৱা হয়। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা অনুসৰি পুৱতি নিশা প্ৰায় ৩ বজাত আহমেদাবাদৰ পৰা জাল'ৰ অভিমুখে গৈ থকা এখন বাহনে এখন ট্ৰেইলাৰত খুন্দা মৰাৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাটোত ৪ জন লোক থিতাতে নিহত হয় আৰু গুৰুতৰ ভাৱে আহত আন ৩ জন লোকক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও ইয়াৰে দুজন লোকৰ মৃত্যু হয়। নিহত লোককেইজন জাল'ৰ জিলাৰ আবাসী বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

ইপিনে, পাঞ্জাৱৰ বাটালাত যোৱানিশা সংঘটিত আন এটা পথ দুৰ্ঘটনাত তিনিজন লোকৰ মৃত্যু হোৱাৰ লগতে ৫ জন লোক আহত হয়। বাটালাৰ আৰক্ষী উপ-অধীক্ষক হৰকৃষ্ণনে প্ৰকাশ কৰা মতে দুখন বাহন আৰু এখন ট্ৰেক্টৰ ট্ৰলীয়ে মুখামুখিকৈ খুন্দা মৰাৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। আহতসকলক নিকটৱৰ্তী চিকিৎসালয় ভৰ্তি কৰোৱা হৈছে। ইয়াৰ এজনৰ অৱস্থা সংকটজনক বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

০০০০০০০০০

সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ সচিব অমিত যাদৱে নতুন দিল্লীৰ ডং আম্বেদকাৰ আন্তঃৰাষ্ট্ৰীয় কেন্দ্ৰত ৰাষ্ট্ৰীয় কৰ্মযোগী জনসেৱা কাৰ্যসূচী উদ্বোধন কৰি কেইবাটাও গুৰুত্বপূৰ্ণ মত ব্যক্ত কৰে। তেওঁ কয়, যে চৰকাৰী সেৱাৰ মৌলিক উদ্দেশ্য হৈছে মানুহৰ জীৱনত অৰ্থপূৰ্ণ পৰিৱৰ্তন অনা। এই কাৰ্যসূচীত চৰকাৰী বিষয়াসকলৰ মাজত মুকলি আলোচনা, দলবদ্ধ কাম আৰু ব্যৱহাৰিক সমস্যা সমাধানত উদগনি দিয়াৰ বাবে চাৰিটা বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। নাগৰিকৰ সৈতে কৰা বাৰ্তালাপক তেওঁ শাসনৰ কেন্দ্ৰবিন্দু হিচাপে অভিহিত কৰি কয়, যে বিষয়াসকলে কিদৰে সাধাৰণ লোকৰ সমস্যা সমাধানৰ ওপৰত গুৰুত্ব প্ৰদান কৰে, তাৰ ওপৰতে দেশৰ প্ৰগতি নিৰ্ভৰ কৰে।

০০০০০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ অহা দেওবাৰে ডুবাইত হ'বলগীয়া ফাইনেলত ভাৰত, নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ লাহোৰৰ গাড্ডাফি ষ্টেডিয়ামত কালি অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত নিউজিলেণ্ডে দক্ষিণ আফ্ৰিকাক ৫০ ৰানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। আই চি চি চেম্পিয়নছ ট্ৰফীৰ ইতিহাসৰ সৰ্বাধিক ৩৬৩ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰিত ৫০ অ'ভাৰত ৯টা উইকেটৰ বিনিময়ত ৩১২ ৰানহে কৰিবলৈ সমৰ্থ হয়। যোৱা মঙলবাৰে অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত ভাৰতে অষ্ট্ৰেলিয়াক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছিল।

০০০০০০০

সমাপ্ত